# যীচুক লগ ধৰিবলৈ লেবী, এজন কৰতোলাই পাপীলোকক গোটাইছিল

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে S5b অধ্যয়ন পঢ়া উচিত।

**১। ঈশ্বৰৰ বাক্যৰ দ্বাৰাই আপোনাৰ মন আৰু প্ৰাণ প্ৰস্তুত কৰক।**

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু যীচু, আপোনাৰ অনুসৰণকাৰী হ'বলৈ সকলো ঠাইতে আপুনি ব্যক্তি আৰু পৰিয়ালবিলাক যুগুত কৰে। অনুগ্ৰহ কৰি আমাক সহায় কৰক যেন আমি এনে লোকক লগ পাই তেওঁবিলাকৰ দলত গোট খাব পাৰিম।"



**মাৰ্ক ২ঃ১৪-১৭ পদত চাওক,** যীচুৱে কেনেকৈ পাপীলোকক তেওঁলোকৰ ঘৰত লগ ধৰিছিল।

- কৰতোলা সকলৰ বিষয়ে যীচুৱে কি ভাবে *(১৪ পদ)*।
- তেওঁৰ ঘৰত আলহি হ'বলৈ কোনে যীচুক মাতিছিল *(১৫ পদ)।*
- লেবীয়ে আৰু কাক তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছিল *(১৫ পদ)।*
- যীচু আৰু সেই পাপী লোকসকলে একেলগে কি কৰিছিল *(১৬ পদ)।*
- কেনে ধৰণৰ লোকক মন পালটন কৰিবলৈ যীচুৱে কৈছিল *(১৭ পদ)।*

**পাঁচনিৰ কৰ্ম্ম ১০ঃ২৪-৩৩ পদত চাওক,** কেনেকৈ পিতৰে খ্ৰীষ্টক বিচৰা লোকসকলক তেওঁবিলাকৰ ঘৰত লগ ধৰিছিল।

- কেনে ধৰণৰ লোকবিলাকক কৰ্ণীলিয়ই তেওঁৰ ঘৰলৈ নিমন্ত্ৰণ কৰিছিল *(২৪ পদ)।*
- খ্ৰীষ্টক বিশ্বাস নকৰা লোকৰ প্ৰতি পিতৰৰ নতুন ধাৰণা কি আছিল *(২৮ পদ)।*
- পিতৰক তেওঁৰ ঘৰলৈ আনিবলৈ কৰ্ণীলিয়ই কিয় মানুহ পঠিয়াইছিল *(৩০-৩২ পদ)।*
- তেওঁক, তেওঁৰ পৰিয়াল আৰু বন্ধুবৰ্গক কি ক'বলৈ কৰ্ণীলিয়ই পিতৰক নিমন্ত্ৰণ কৰিছিল *(৩৩ পদ)।*

**পাঁচনিৰ কৰ্ম্ম ২৮ঃ৩০-৩১ পদত চাওক,** কেনেকৈ পৌলে তেওঁক মাতোতা সকলক তেওঁৰ ঘৰলৈ মাতি শিকাইছিল।

- পৌলে ৰোমত তেওঁৰ ভাড়াঘৰত কিমান দিন আছিল।
- তেওঁৰ গুৰিলৈ অহা লোকবিলাকৰ লগত তেওঁ কি বিষয়ে কথা পাতিছিল।

**১ কৰিন্থীয়া ১৪ঃ২৪-২৬ পদত চাওক,** খ্ৰীষ্টক বিশ্বাস নকৰা লোকে গোট পৰিদৰ্শন কৰোঁতে কেনে ব্যৱহাৰ কৰা উচিত।

- কথা ক'বলৈ আৰু আনৰ লগত ভগাই ল'বলৈ গোটটোৰ কেইজন মানুহক অনুমতি দিয়া উচিত।
- বিশ্বাসীসকলে কেনে ধৰণৰ কথাবিলাক কোৱা উচিত?

টোকা ঃ এনে ধৰণৰ গোটত আটাইবোৰ বিশ্বাসী লোকে ভবিষ্যতবাণী কৰিব পাৰে। ই কেৱল মানুহবিলাকক ধৰ্ম্মত বৃদ্ধি কৰিবলৈ আৰু আশ্বাস ও শান্তনা বাক্য ক'বলৈ (কৰিন্থীয়া ১৪ঃ৩)।

- বিশ্বাসীলোকে গোটত কথা কোৱা শুনি খ্ৰীষ্টত বিশ্বাস নকৰা লোকবিলাকৰ অন্তৰত ঈশ্বৰে কি কৰিব?

  সৰু গোটবোৰত বিশ্বাসীবিলাকে দুটা গুৰুত্বপূৰ্ণ কাম কৰিব পাৰে ঃ

১। যীচুৰ বিষয়ে শিকিবলৈ/জানিবলৈ নতুন বিশ্বাসীসকলে সহজে খ্ৰীষ্টত বিশ্বাস নকৰা তেওঁলোকৰ বন্ধুবৰ্গ আৰু পৰিয়ালক একেলগে আনিব পাৰে, যিদৰে চক্কেয়, মথি আৰু কৰ্ণীলিয়ই কৰিছিল - লূক ১৯ঃ১-১০, মথি ৯ঃ৯-১৩ আৰু পাঁচনিৰ কৰ্ম্ম ১০ঃ২২-২৪।

২। পৰিপক্ক, বিশ্বাসীসকলে এক মৰমিয়াল গোটত পৰস্পৰ আজ্ঞাবোৰ ইজনে সিজনৰ পৰিচৰ্য্যা কৰা সহজতে অভ্যাস আৰু কাৰ্য্য যি যথেষ্ট তাকৰ আৰু ইয়াত প্ৰতিজনৰ কথা শুনিব পাৰি আৰু কাৰ্য্যকৰী ভাবে অংশ ল'ব পাৰি। নতুন বিশ্বাসীসকল লাজকুৰীয়া হ'ব পাৰে, সেয়ে তেওঁলোক যুগুত হোৱা পূৰ্ব্বে জোৰ কৰিব নালাগে।


অৱশ্যে, সৰু গোট অথবা ঘৰুৱা মণ্ডলীবোৰত কেৱল গোট খোৱা দ্বাৰাই ওপৰত উল্লেখ কৰা দুটা গুৰুত্বপূৰ্ণ কাম হ'ব এনে নহয়। কেতিয়াবা, পৰম্পৰাগত মণ্ডলীত বিশ্বাসীসকল কেৱল টলকা মাৰি শুনোতা হৈ থকা, অথবা যিসকলে কেৱল ক্লাচত পৰম্পৰাগতভাৱে শিক্ষা শুনাটো জানে যিহে অৱহেলা কৰে, সেই ভুলবোৰ সৰু গোটলৈ আনে।


**২। অহা সপ্তাহৰ কাম-কাজৰ আঁচনি সহকৰ্ম্মী সকলৰ লগত কৰক।**

- খ্ৰীষ্টক বিশ্বাস নকৰা লোকবিলাকে শিকিবলৈ ইচ্ছা কৰিলে, তেওঁলোকক পৰিদৰ্শন আৰু যীচুৰ বিষয়ে জানিবলৈ আন বিলাককো তেওঁলোকৰ ঘৰলৈ অহা ব্যৱস্থা কৰক।
- এই "গোট খোৱা দলবোৰক" এজন সত্য আৰু পবিত্ৰ ঈশ্বৰে যে আমাৰ প্ৰাৰ্থনা শুনে আৰু আটাইবোৰ আত্মাতকৈ অধিক শক্তিশালী, সেই কথা বুজিবলৈ পুৰণি নিয়মৰ এটা কাহিনী কওক। উদাহৰণবোৰ ঃ জলপ্লাৱন (আদিপুস্তক ৬ঃ৫-২২), চদোমৰ ধ্বংস (আদিপুস্তক ১৮ঃ২০; ১৯ঃ২৯) আৰু বালৰ মূৰ্ত্তিপূজক পুৰোহিতবিলাক (১ ৰাজাৱলি ১৮)।
- ১ম ভাগত আপুনি অধ্যয়ন কৰা কাহিনী যিহে যীচুৰ প্ৰেম আৰু ক্ষমা দিয়া বিষয়ে কয় - এনে কাহিনী কওক।
- যোগ দিবলৈ অহা লোকক আয়োজন কৰাজনৰ লগত আদৰণি জনোৱা ব্যৱস্থা কৰক, যাতে যেন সহভাগিতাৰ নিমিত্তে উপযুক্তভাৱে মুখামুখিকৈ বহিবলৈ দিয়ক।
- শুভবাৰ্ত্তা প্ৰচাৰৰ সভাবোৰ কেনেদৰে পৰিচালনা কৰিব, তলত দিয়া পৰামৰ্শ অনুযায়ী কৰক।

  সৰু গোটত লোকবিলাকে পৰস্পৰে কথা পাতিবলৈ চকী অথবা আন বহা ব্যৱস্থা কৰক।

**কোনটো ভাল হ'ব, শাৰী শাৰীকৈ চকীবোৰ থব, যাতে লোকবিলাকে আনলোকৰ মূৰৰ পিছফালটো দেখা পায়, অথবা লোকবিলাকক মুখা-মুখিকৈ বহাৰ ব্যৱস্থা কৰক?** *(উত্তৰ ঃ চকীবোৰ ইজনে সিজনৰ মুখ দেখাকৈ থলে, লোকবিলাকে ভালদৰে পৰস্পৰৰ কথা শুনিব আৰু ক'ব।)*





**৩। হ'বলগীয়া উপাসনাৰ কাৰণে সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।**

আপোনাৰ গোটত খাপ খুউৱা কামবোৰ বাচি লওক।

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাটক পৰিবেশন কৰক আৰু প্ৰশ্নবোৰ সোধক।

ওপৰত উল্লেখ কৰা ১ম কাহিনীটো পঢ়ক অথবা কওক আৰু একেখিনি প্ৰশ্নবোৰ সোধক।

ফিলিপীয়াৰ দাৰোগাৰ পৰিয়ালৰ গোট খোৰা বিষয়ে হয়তো আপুনি পঢ়িব অথবা উক্তি দাঙি ধৰিব (পাঁচনিৰ কৰ্ম্ম ১৬ঃ২২-৩৪)।

আঁচনি কৰা আটাইবোৰ শুভবাৰ্ত্তা প্ৰচাৰৰ ঘৰৰ সভাৰ কাৰণে উপাসনাৰ সময়ত প্ৰাৰ্থনা কৰক।

শুভবাৰ্ত্তা প্ৰচাৰৰ ঘৰত হোৱা সভাৰ সুখ্যাতি পৰ্য্যালোচনা কৰক (তলত চাওক)

ঘৰত হোৱা শুভবাৰ্ত্তা প্ৰচাৰ সভাৰ সাক্ষ্য আৰু ৰিপোৰ্টবোৰ খোজক।

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ পাঁচনিৰ কৰ্ম্ম ২ঃ৪৩ পঢ়ক আৰু ব্যাখা কৰক যে প্ৰথম মণ্ডলীয়ে প্ৰভুৰ ভোজ ঘৰত স্থাপন কৰিছিল।

দুই অথবা তিনিজনীয়া গোট গঠন কৰক। প্ৰাৰ্থনা, আঁচনি সিদ্ধান্ত লোৱা আৰু ইজনে সিজনক উৎসাহিত কৰক।

১ কৰিন্থীয়া ১৪ঃ২৪-২৫ পদ একেলগে মুখস্থ কৰক।



নতুন মণ্ডলীৰ নিমিত্তে যদি আপুনি চলাওঁতাক প্ৰশিক্ষণ দিছে আৰু পৌল-তীমথিয়ৰ অধ্যয়ন পঢ়া নাই, তেন্তে নতুন পালকসকলৰ প্ৰশিক্ষকৰ নিৰ্দ্দেশাৱলী পঢ়ক।

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net